# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-APR-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

২। ফাষ্টট্ৰেক আদালতৰ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন নাকচ।

৩। দেশত ৰন্ধন গেছ, পেট্ৰ'ল আৰু ডিজেলৰ নিৰন্তৰ যোগান অব্যাহত আছে বুলি চৰকাৰৰ প্ৰকাশ।

৪। কাজিৰঙা আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যানত কাইলৈৰ পৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী বন্ধ ঘোষণা। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ, আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু মুখামুখি।

ooooo

বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনসমূহে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি কাছাৰ জিলা পৰিদৰ্শন কৰি ভোটগণনাৰ সামগ্ৰিক প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। তেওঁ শিলচৰৰ ৰামনগৰত স্থাপন কৰা ষ্ট্ৰংৰুম পৰিদৰ্শন কৰি নিৰাপত্তা ব্যৱস্থা, গণনা কক্ষৰ প্ৰস্তুতিকে ধৰি আনুষংগিক বিষয়সমূহৰ বুজ লয়।

শিৱসাগৰ জিলাত ভোটগণনাৰ বাবে প্ৰশাসনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। জিলা আয়ুক্ত কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত আজি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সতীশ ঠাকুৰীয়াই ৪ মে'ৰ পুৱা ৮ বজাৰ পৰা শিৱসাগৰ নগৰৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভোটগণনা অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিয়ে। প্ৰথমে পোষ্টেল বেলট গণনা কৰা হ'ব আৰু পুৱা চাৰে ৮ বজাৰ পৰা ই ভি এমৰ ভোটগণনা হ'ব। বিষয়াগৰাকীয়ে জনোৱা মতে প্ৰতিটো সমষ্টিৰ ভোটগণনাৰ বাবে ১৪ খন গণনা টেবুলৰ ব্যৱস্থা কৰা হৈছে। জিলাখনৰ ৩টা সমষ্টিৰ ভিতৰত শিৱসাগৰ সমষ্টিৰ ভোটগণনা ২০টা ৰাউণ্ডত আৰু ডিমৌ আৰু নাজিৰা সমষ্টিৰ ভোটগণনা ১৭টাকৈ ৰাউণ্ডত কৰা হ'ব। গণনা কেন্দ্ৰ হিচাপে নিৰ্ধাৰণ কৰা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়খনত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে বুলি বিষয়াগৰাকীয়ে উল্লেখ কৰে। ডিব্ৰুগড় জিলাৰ ডি আৰ ডি এ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত আজি ভোটগণনাৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰশিক্ষণত নৱনিযুক্ত সহকাৰী ৰিটাৰ্নিং বিষয়াসকলক ডাক বেলট আৰু ইভিএমৰ ভোটগণনাৰ বিভিন্ন কাৰিকৰী দিশৰ বিষয়ে মূল প্ৰশিক্ষকসকলে প্ৰশিক্ষণ প্ৰদান কৰে।

শ্ৰীভূমি জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি ভোটগণনাৰ পৰিপ্ৰেক্ষিতত এখন গুৰুত্বপূৰ্ণ বৈঠকত অনুষ্ঠিত হয়। বৈঠকত ভোটগণনাৰ পদ্ধতি, গণনা কেন্দ্ৰৰ সামগ্ৰিক প্ৰস্তুতি, আইন শৃংখলা ব্যৱস্থা আদি সন্দৰ্ভত আলোচনা কৰা হয়।

চিৰাং জিলাৰ দুটা বিধানসভা সমষ্টিৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনে পূৰ্ণ গতিত প্ৰস্তুতি চলাই আছে। ভোটগণনাত নিয়োজিত সূক্ষ্ম পৰ্যবেক্ষক, গণনা পৰ্যবেক্ষক আৰু গণনা সহায়কাৰীসকলৰ লগতে অন্যান্য বিষয়া-কৰ্মচাৰীসকলক প্ৰশিক্ষণ দিয়া হৈছে। চিদলী, চিৰাং আৰু বিজনী বিধানসভা সমষ্টিৰ বাবে কাজলগাঁৱৰ উপেন্দ্ৰ নাথ ব্ৰহ্ম মহাবিদ্যালয় চৌহদত ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে।

ooooo

৪ মে’ত হ’বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে ৩৫ খন জিলাৰ মুখ্য কাৰ্যালয়ত মুঠ ৪০টা কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে কোকৰাঝাৰ, তিনিচুকীয়া আৰু যোৰহাট জিলাত দুটাকৈ ভোটগণনা কেন্দ্ৰ থকাৰ লগতে নগাঁও জিলাত তিনিটা ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। ভোটগণনা প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে ১২৬ জন ভোটগণনা পৰ্যবেক্ষক নিয়োগ কৰা হৈছে আৰু এই প্ৰক্ৰিয়াত ৫ হাজাৰ ৯৮১ গৰাকী ভোটগণনাকাৰী বিষয়া আৰু ২ হাজাৰ ৩৪৮ গৰাকী মাইক্ৰ’অব্জাৰ্ভাৰে সহযোগিতা আগবঢ়াব। প্ৰতিটো সমষ্টিৰ ভোটদানৰ হাৰৰ ওপৰত ভিত্তি কৰি ১৫ৰ পৰা ২৮টা ৰাউণ্ডত ভোটগণনা কৰা হ’ব আৰু নিকট প্ৰতিদ্বন্দ্বিত হোৱা আসনৰ বাবে পুনৰ ভোটগণনাৰো ব্যৱস্থা থাকিব। ৰিটাৰ্ণিং বিষয়াসকলে পোষ্টেল বেলটসমূহ পৰীক্ষা কৰিব। ভোটগণনা প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কেইবাতৰপীয়া সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা হৈছে।

০০০০০

নিৰ্বাচন আয়োগে ভোট গণনা কেন্দ্ৰসমূহত অকৰ্তৃত্বশীল ব্যক্তিৰ প্ৰৱেশৰ সম্ভাৱনা নুই কৰাৰ উদ্দেশ্যে ই চি আই এন ই টি মঞ্চৰ জৰিয়তে কিউ আৰ কোড আধাৰিত ফটোযুক্ত পৰিচয়পত্ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। আয়োগে প্ৰকাশ কৰা মতে ৪ মে’ত হ’বলগীয়া  অসম, কেৰলম, তামিলনাডু, পশ্চিমবংগ আৰু পুডুচেৰীৰ ভোটগণনাৰ দিনৰ পৰা এই ব্যৱস্থা প্ৰযোজ্য হ’ব। কিউ আৰ আধাৰিত সত্যাসত্য নিৰূপণৰ এই ব্যৱস্থা নতুনকৈ প্ৰৱৰ্তন কৰা তিনি তৰপীয়া সুৰক্ষা ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ স্তৰ হ’ব বুলি আয়োগে জানিবলৈ দিছে। আয়োগে কৈছে যে, প্ৰথম আৰু দ্বিতীয় পৰ্যায়ত ৰিটাৰ্নিং বিষয়াই জাৰি কৰা পৰিচয়পত্ৰসমূহ পৰীক্ষা কৰা হ’ব। গণনা কক্ষৰ সমীপৰ অভ্যন্তৰীণ সুৰক্ষা স্তৰত কিউ আৰ কোড স্কেনিঙৰ পাছতহে প্ৰৱেশৰ অনুমতি প্ৰদান কৰা হ’ব। আয়োগে লগতে ভোট গণনা কেন্দ্ৰ আৰু কক্ষত প্ৰৱেশৰ অনুমতি প্ৰদান কৰা ব্যক্তিসকলৰ বাবেহে নতুন কিউ আৰ কোড আধাৰিত ফটোযুক্ত পৰিচয় পত্ৰ প্ৰযোজ্য হ’ব বুলি স্পষ্ট কৰি দিছে। ইয়াৰ ভিতৰত ৰিটাৰ্নিং বিষয়া, সহকাৰী ৰিটাৰ্নিং বিষয়া, গণনাকৰ্মী, কাৰিকৰী কৰ্মী, প্ৰাৰ্থী, নিৰ্বাচনী এজেণ্ট আৰু ভোটগণনা এজেণ্ট অন্যতম।

০০০০০

বিধানসভা নিৰ্বাচনৰ ভোটগণনা আৰু ফলাফল ঘোষণাৰ পৰিপ্ৰেক্ষিতত আগতীয়া সতৰ্কতামূলক ব্যৱস্থা হিচাপে নগাঁও জিলাত আজিৰে পৰা প্ৰশাসনৰ অনুমতি অবিহনে শোভাযাত্ৰা কৰা, ফটকা ফুটুৱা আৰু মাইক বজোৱাত সাময়িকভাৱে নিষেধাজ্ঞা জাৰি কৰা হৈছে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই জাৰি কৰা এটা নিৰ্দেশ অনুসৰি ভোটগণনা অনুষ্ঠিত হ’বলগীয়া নগাঁও চৰকাৰী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, নগাঁও চৰকাৰী ল’ৰাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ডছন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত ৫ জন বা ততোধিক লোকৰ সমাগমত বাধা আৰোপ কৰা হৈছে। প্ৰশাসনৰ অনুমতি অবিহনে জিলাখনত আতচবাজীৰ ব্যৱহাৰ, বিক্ৰী আৰু সৰবৰাহৰ লগতে যিকোনো ধৰণৰ অস্ত্ৰ-শস্ত্ৰ লৈ ফুৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন নাকচ কৰে। অভিযুক্ত পক্ষৰ অধিবক্তা আৰু অসম চৰকাৰৰ বিশেষ লোক অধিবক্তাৰ যুক্তিসমূহ পুংখানুপুংখভাৱে বিশ্লেষণ কৰি আদালতে অভিযুক্ত মহন্তক জামিন দিবলৈ অস্বীকাৰ কৰে। উল্লেখযোগ্য যে অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ শুনানিকালত অসম চৰকাৰৰ বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ পাছতে শ্যামকানু মহন্তই পলায়ন কৰি গোচৰটোত সহযোগ নকৰাৰ বিষয়টো উত্থাপন কৰে। অভিযুক্তগৰাকীক জামিন দিলে তেওঁ পুনৰ পলায়নৰ সম্ভাৱনা আছে বুলি অধিবক্তাগৰাকীয়ে আদালতত যুক্তি দৰ্শায়। অভিযুক্ত মহন্তৰ অধিবক্তাই বিশেষ লোক অধিবক্তাৰ যুক্তি খণ্ডনৰ চেষ্টা কৰি তেওঁক জামিন প্ৰদানৰ বাবে আবেদন জনায়। পাছত আদালতে গোচৰটোৰ সকলো দিশ চালিজাৰি চাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন

নাকচ কৰে। এই সন্দৰ্ভত অসম চৰকাৰৰ বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে সাংবাদিকৰ আগত এইদৰে কয়—

**বাইট (জিয়াউল কামাৰ)**

ইপিনে অভিযুক্ত শ্যামকানু মহন্তৰ পৰা আৰক্ষীয়ে জব্দ কৰা কেতবোৰ সামগ্ৰী ঘূৰাই বিচাৰি তেওঁৰ পত্নীয়ে দাখিল কৰা আবেদনখনো আজি ফাষ্টট্ৰেক আদালতে খাৰিজ কৰে।

আদালতে ২ মে'ত গোচৰটোৰ আন এজন অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন সন্দৰ্ভতো ৰায় দিব।

০০০০০

চৰকাৰে দেশত ৰন্ধন গেছ, পেট্ৰ'ল আৰু ডিজেলৰ নিৰন্তৰ যোগান অব্যাহত আছে বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত এখন আন্তঃমন্ত্ৰালয় বৈঠকত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই এই কথা সদৰি কৰে। তেওঁ কয়, যে ঘৰুৱা ৰন্ধন গেছৰ যোগান সুস্থিৰ হৈ আছে আৰু কোনো বিতৰকে ৰন্ধন গেছৰ অভাৱৰ সন্মুখীন হোৱা নাই। অনলাইন ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বুকিং প্ৰায় ৯৮ শতাংশলৈ বৃদ্ধি পাইছে বুলি উল্লেখ কৰি সচিবগৰাকীয়ে কয়, যে অটিপিৰ জৰিয়তে প্ৰায় ৯৩ শতাংশ চিলিণ্ডাৰ গ্ৰাহকক প্ৰদান কৰা হৈছে। প্ৰায় ৪৩ হাজাৰ গ্ৰাহকে পি এন জিৰ সংযোগ লোৱাৰ বাবে ৰন্ধন গেছৰ সংযোগ কৰ্তন কৰিছে বুলি তেওঁ কয়। শ্ৰীমতী শৰ্মাই সকলো নাগৰিকক শংকিত হৈ ৰন্ধন গেছৰ চিলিণ্ডাৰ ক্ৰয় নকৰিবলৈ আৰু চৰকাৰী তথ্যৰ ওপৰত আস্থা ৰাখিবলৈ আহ্বান জনাইছে।

**বাইট (সুজাতা শৰ্মা)**

ইপিনে চৰকাৰে দেশত পৰ্যাপ্ত পৰিমাণৰ সাৰ মজুত আছে বুলি আশ্বাস দিছে। সাৰ বিভাগৰ অতিৰিক্ত সচিব অপৰ্ণা শৰ্মাই আজিৰ বৈঠকত কয়, যে সাৰৰ ঘৰুৱা উৎপাদন সম্প্ৰতি ৬২ দশমিক ৩—৭ মেট্ৰিকটন। প্ৰায় ১৫ লাখ মেট্ৰিকটন সাৰৰ আমদানিৰে বৰ্তমান দেশত প্ৰায় ৭৮ লাখ মেট্ৰিকটন সাৰ মজুত আছে বুলি সচিবগৰাকীয়ে উল্লেখ কৰে।

০০০০০

কাইলৈ পৱিত্ৰ বৌদ্ধ পূৰ্ণিমা। এই দিনটোত গৌতম বুদ্ধই জন্মগ্ৰহণ কৰাৰ উপৰি সিদ্ধি লাভ কৰিছিল আৰু তেওঁ মহা পৰিনিৰ্বাণ হৈছিল। বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে পৱিত্ৰতাৰে এই দিনটো উদযাপন কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি বৌদ্ধ পূৰ্ণিমাৰ প্ৰাক সন্ধিয়া জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তেওঁৰ বাৰ্তাত কয়, যে এই পৱিত্ৰ দিনটো পৃথিৱীলৈ ভগৱান বুদ্ধৰ আগমন, জ্ঞান প্ৰাপ্তি আৰু মহা পৰিনিৰ্বাণৰ ঐতিহাসিক ঘটনাৰ প্ৰতীক। তেওঁ কয়, যে তেওঁৰ অহিংসা, কৰুণা, শান্তি আৰু জ্ঞানৰ শ্বাশ্বতঃ বাণীসমূহে মানৱ জাতিক সদায় পথ প্ৰদৰ্শন কৰি যাব। অলেখ প্ৰত্যাহ্বানেৰে ভৰা বৰ্তমানৰ সময়ত ভগৱান বুদ্ধৰ শিকনিসমূহে সকলোকে শান্তি, সহিষ্ণুতা আৰু সম্প্ৰীতিৰ পথত অগ্ৰসৰ হ'বলৈ অনুপ্ৰেৰণা যোগাব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক ভগৱান বুদ্ধৰ আদৰ্শ আকোৱালি ল'বলৈ আৰু এখন শান্তিপূৰ্ণ, সৰ্বাত্মক তথা ন্যায্য সমাজ গঢ়াত অৱদান আগবঢ়োৱাৰ বাবে সংকল্প ল'বলৈ আহ্বান জনায়।

০০০০০

অসম আৰক্ষীয়ে ৰুজু কৰা এজাহাৰ সংক্ৰান্তত জ্যেষ্ঠ কংগ্ৰেছ নেতা পৱন খেড়াই দাখিল কৰা অগ্ৰিম জামিন আবেদন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে ৰায় সংৰক্ষিত ৰাখে। ন্যায়াধীশ জে কে মহেশ্বৰী আৰু অতুল চান্দুৰকাৰকলৈ গঠিত এখন বিচাৰপীঠে খেৰাৰ হৈ ওকালতি কৰা জ্যেষ্ঠ অধিবক্তা অভিশেষ মনুসিংভি আৰু অসমৰ চলিচিতৰ জেনেৰেল তুষাৰ মেহতাই আগবঢ়োৱা যুক্তি তৰ্ক শুনাৰ পাছত কংগ্ৰেছ নেতাগৰাকীৰ আবেদন সন্দৰ্ভত ৰায়দান সংৰক্ষিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিনিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে

আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত আৰক্ষীয়ে পৱন খেৰাৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰিছিল আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ে তেওঁৰ অগ্ৰিম জামিন আবেদন ইতিপূৰ্বে নাকচ কৰিছে।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কাইলৈৰ পৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী বন্ধ ঘোষণা কৰা হৈছে। উদ্যান কৰ্তৃপক্ষই জনোৱা মতে বাৰিষা কালৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি বন্যপ্ৰাণীৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে এই সিদ্ধান্ত লোৱা হৈছে। কাইলৈৰ পৰা কাজিৰঙাৰ কঁহৰা আৰু বাগৰি বনাঞ্চলত হাতী ছাফাৰী সম্পূৰ্ণৰূপে বন্ধ থাকিব যদিও পৰ্যটকৰ সুবিধাৰ্থে জীপ ছাফাৰী অব্যাহত থাকিব। পৰৱৰ্তী সময়ত বান পৰিস্থিতি আৰু পথৰ অৱস্থা বিবেচনা কৰি জীপ ছাফাৰী বন্ধৰ সিদ্ধান্ত লোৱা হ'ব বুলি উদ্যান কৰ্তৃপক্ষই জনাইছে।

দৰং জিলাৰ ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পতো কাইলৈৰ পৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী বন্ধ ঘোষণা কৰা হৈছে। মঙলদৈ বন্যপ্ৰাণী সংমণ্ডল প্ৰাধিকাৰী তথা ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ কাৰ্যবাহী সঞ্চালকে এখন জাননীৰ জৰিয়তে এই নিৰ্দেশ দিয়ে।

ooooo

ধেমাজি জিলা তিৱা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু গোগামুখ আঞ্চলিক সমিতিৰ সহযোগত জিলাখনৰ বৰদলনিত অনুষ্ঠিত তিৱা জনগোষ্ঠীৰ পৰম্পৰাগত উৎসৱ **পিচাক পিচু দ'মাচিৰ** আজি সামৰণি পৰে। তিৱাসকলৰ এই কৃষিভিত্তিক উৎসৱৰ লগত সংগতি ৰাখি আয়োজিত কাৰ্যসূচীৰ আজি দ্বিতীয় তথা অন্তিমদিনা বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। দিনৰ ভাগত মুকলি সভা আৰু জনগোষ্ঠীটোৰ কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন কৰা হয়। আজি মুকলি সভাত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালকে ধৰি তিৱা ছাত্ৰ সন্থাৰ বিষয়ববীয়া তথা বিভিন্ন জনগোষ্ঠীয় সংগঠনৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

ooooo

গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অধ্যাপক ড০ ননীগোপাল মহন্তৰ নেতৃত্বত চেণ্টাৰ ফৰ ছাউথ-ইষ্ট এছিয়ান ষ্টাডিছ্ তথা ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত WEST ASIA IN A FRAGMENTED GLOBAL ORDER : SECURITY DYNAMICS AND ECONOMIC IMPLICATIONS শীৰ্ষক এখন ৰাষ্ট্ৰীয় আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ প্ৰাক্তন ৰাজ্য মন্ত্ৰী, বিশিষ্ট সাংবাদিক তথা লেখক এম জে আকবৰে মূল ভাষণ প্ৰদান কৰে। তেওঁ কয়, যে বৰ্তমানৰ পৰিৱৰ্তনশীল বিশ্বৰ বিভিন্ন ঘটনাই পশ্চিম এছিয়াক ভিন ভিন দিশৰ পৰা প্ৰভাৱিত কৰিছে। অনুষ্ঠানত উপাচাৰ্য, অধ্যাপক ড০ ননীগোপাল মহন্তই দীৰ্ঘদিন ধৰি উপসাগৰীয় অঞ্চলৰ মুখ্য নিৰাপত্তা প্ৰদানকাৰী হিচাপে গন্য কৰি অহা আমেৰিকাৰ ভূমিকা আৰু নিৰ্ভৰযোগ্যতা সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

ooooo

অসম আৰক্ষীৰ নিৰীক্ষণ আৰু দুৰ্নীতি নিবাৰক শাখাই আজি অভিযান চলাই উৎকোচ লোৱা অৱস্থাত মঙলদৈ জলসিঞ্চন সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা তাইজুল ইছলাম ছিদ্দিকিক আটক কৰে। আমাৰ মঙলদৈৰ সংবাদদাতাই জনোৱা মতে বিভাগটোৰ এগৰাকী ঠিকাদাৰৰ এখন বিল আদায় দিয়াৰ বাবে কাৰ্যবাহী অভিযন্তাগৰাকীয়ে ৫০ হাজাৰ টকাৰ উৎকোচ বিচাৰিছিল। সেই অনুসৰি আজি তেওঁৰ মঙলদৈৰ কাৰ্যালয়ত উৎকোচৰ ধন লোৱাৰ সময়তে দুৰ্নীতি নিবাৰক শাখাৰ আৰক্ষীয়ে তেওঁক হাতে-লোটে ধৰা পেলায়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা ৰাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে মুম্বাই ইণ্ডিয়ানছক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০

বাক্সা জিলাৰ ভলুকামুৰী গাঁও নিবাসী বিশিষ্ট সমাজকৰ্মী চন্দ্ৰকান্ত দাসৰ বাৰ্ধক্যজনিত কাৰণত কালি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৮ বছৰ। প্ৰয়াত দাসে ভলুকামুৰী আঞ্চলিক লক্ষ্মী পূজা, অসম সাৰস্বত ব্ৰহ্মচাৰী সংঘৰ ভলুকামুৰীৰ ব্ৰহ্মচাৰী আশ্ৰম,  ভলুকামুৰী গান্ধী হাইস্কুল আদিৰ সৈতে জড়িত আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

০০০০০

সমাপ্ত